# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 14-03-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি শিলচৰত ২৩ হাজাৰ ৫৫০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

২। প্ৰধানমন্ত্ৰীয়ে আজি কলকাতাত ১৮ হাজাৰ ৬৮০ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

৩। নেপালৰ শেহতীয়া নিৰ্বাচনৰ পাছত দেশখনৰ নতুন চৰকাৰে ভাৰতৰ সৈতে শক্তিশালী সম্পৰ্ক স্থাপন কৰিব বুলি দেশখনৰ ৰাষ্ট্ৰদূত শংকৰ প্ৰসাদ শৰ্মাই প্ৰকাশ কৰিছে।

৪। অসমৰ প্ৰথমগৰাকী গ্ৰেণ্ড মাষ্টাৰ হিচাপে খিতাপ অৰ্জনেৰে হিচাপে মায়ংক চক্ৰৱৰ্তীয়ে ইতিহাস ৰচনা কৰিছে। *আৰু*

৫। ভাৰতীয় মহিলা হকী দলে আজি এফ আই এইচ হকী বিশ্বকাপ কোৱালিফায়াৰৰ ফাইনেলত ইংলেণ্ডৰ মুখামুখি হ'ব।

ooooo

দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি শিলচৰত ২৩ হাজাৰ ৫৫০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীয়ে শিলচৰৰ অম্বিকাপুৰত তিনিটা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। ইয়াৰ ভিতৰত ২২ হাজাৰ ৮৬৪ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা শিলচৰ হাইস্পীড কৰিডৰ, প্ৰায় ৫৬৫ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা শিলচৰ টাউন উৰণ সেতু আৰু ১২২ কোটি টকা ব্যয় সাপেক্ষ পাথাৰকান্দি কৃষি মহাবিদ্যালয় আছে। প্ৰধানমন্ত্ৰীৰ শিলচৰ ভ্ৰমণ কালতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বৰাকৰ শ্ৰীকোণাত নিৰ্মাণ কৰা মিনি সচিবালয় আৰু দাৰগাকোণাৰ মিঠাপানীত অসম চৰকাৰৰ নগৰ আৰু গৃহ নিৰ্মাণ বিভাগৰ সন্মিলন কেন্দ্ৰ উদ্বোধন কৰিব।

ইয়াৰ পূৰ্বে কালি প্ৰধানমন্ত্ৰীগৰাকীয়ে গুৱাহাটীত প্ৰায় ১৯ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। প্ৰতিকূল বতৰৰ পৰিপ্ৰেক্ষিতত তেওঁৰ কোকৰাঝাৰ ভ্ৰমণ বাতিল হোৱাত গুৱাহাটীৰ কইনাধৰাৰ ৰাজ্যিক অতিথিশালাৰ পৰাই ভাৰ্চুৱেল ব্যৱস্থাৰে জিলাখনৰ ৪ হাজাৰ ৫৭০ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও আন্তঃগাঁথনিমূলক প্ৰকল্প মুকলি কৰাৰ লগতে আধাৰশিলা স্থাপন কৰে।

ইয়াৰ পাছত বিয়লি খানাপাৰাৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত অন্য এটা কাৰ্যসূচীত অংশ লৈ প্ৰধানমন্ত্ৰী মোদীয়ে ১৩ হাজাৰ ২৯০ কোটি টকা ব্যয়সাপেক্ষ বহুকেইটা প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। প্ৰধানমন্ত্ৰীয়ে দুহেজাৰ ৪১৬ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা ১২০ মেগাৱাট শক্তিসম্পন্ন কপিলী জলবিদ্যুৎ প্ৰকল্প, ৭৫০ কোটি টকা ব্যয়সাপেক্ষ নুমলীগড়-শিলিগুড়ি প্ৰডাক্ট

পাইপলাইনৰ ক্ষমতা বৃদ্ধি আৰু ৩ হাজাৰ ৮০০ কোটি টকা ব্যয়সাপেক্ষ উত্তৰ-পূব গেছ গ্ৰীডৰ প্ৰথম পৰ্যায় উদ্বোধন কৰে। তেওঁ লগতে নুমলীগড় শোধনাগাৰ লিমিটেডৰ ৰে'ল সংযোগী পি অ' এল টাৰ্মিনেল আৰু কেইবাটাও মুখ্য ৰে'লপথৰ বৈদ্যুতিকীকৰণ প্ৰকল্পৰ আধাৰশিলাও স্থাপন কৰে। ইয়াৰ ভিতৰত ৰঙিয়া-মুৰ্কংচেলেক, চাপৰমুখ-ডিব্ৰুগড়, বদৰপুৰ-শিলচৰ আৰু বদৰপুৰ-চুৰাইবাৰী ৰে'লপথো আছে। তেওঁ লগতে ফৰকাটিং-তিনিচুকীয়া ৰে'লৰে লাইন দ্বৈতকৰণ প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰে। প্ৰধানমন্ত্ৰীয়ে গুৱাহাটীৰ বেতকুছিত নিৰ্মাণ কৰা ৰাজ্যৰ প্ৰতিখন জিলা আৰু দেশৰ প্যতিখন ৰাজ্যৰ দোকান-পোহাৰেৰে সু-সজ্জিত, এক ভাৰত শ্ৰেষ্ঠ ভাৰতৰ আদৰ্শক প্ৰতিনিধিত্ব কৰা একতা মলৰো উদ্বোধন কৰে। তেওঁ লগতে প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ ২২ সংখ্যক কিস্তিও মুকলি কৰে। এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰী মোদীয়ে মিছন বসুন্ধৰাৰ অধীনত ৰাজ্যৰ ৭০৭ খন চাহ বাগিচাত বাস কৰা ৩ লাখ ৫০ হাজাৰৰো অধিক পৰিয়ালক ভূমিপট্টা প্ৰদান কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কলকাতাত ১৮ হাজাৰ ৬৮০ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। পথ আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে শ্ৰীমোদীয়ে প্ৰায় ১৬ হাজাৰ ৯৯০ কোটি টকা ব্যয় সাপেক্ষ মুঠ ৪২০ কিলোমিটাৰৰো অধিক দৈৰ্ঘ্যৰ কেইবাটাও ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। আজি উদ্বোধন কৰিবলগীয়া প্ৰকল্পকেইটা হৈছে পশ্চিমবংগ আৰু ঝাৰখণ্ডৰ ১৯ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কিছু অংশ আৰু পশ্চিমবংগৰ ১১৪ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ। এই প্ৰকল্পসমূহে পথ সুৰক্ষা বৃদ্ধি কৰি যাত্ৰাৰ সময় হ্ৰাস কৰাৰ লগতে আঞ্চলিক যোগাযোগ সুচল কৰিব আৰু পৰ্যটন তথা অৰ্থনৈতিক বিকাশতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে। শ্ৰীমোদীয়ে পাঁচটা নতুন ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰিব। এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰীগৰাকীয়ে কেইবাটাও জাহাজ পৰিবহণ আৰু বন্দৰ সম্পৰ্কীয় প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে পশ্চিমবংগ, উত্তৰ প্ৰদেশ, বিহাৰ, ঝাৰখণ্ড আৰু ৰাষ্ট্ৰীয় ৰাজধানীৰ মাজত যোগাযোগ শক্তিশালী কৰাৰ লক্ষ্যৰে পুৰুলীয়া-আনন্দবিহাৰ টাৰ্মিনেল এক্সপ্ৰেছ ৰে'লগাড়ীৰ সেৱা মুকলি কৰিব। শ্ৰীমোদীয়ে অমৃত ষ্টেচন আঁচনিৰ অধীনত নতুনকৈ নিৰ্মাণ কৰা ছটা ৰে'ল ষ্টেচনো উদ্বোধন কৰিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে এটা ৰাজনৈতিক সমদলত অংশ ল'ব।

০০০০০

নেপালৰ শেহতীয়া নিৰ্বাচনৰ পাছত দেশখনৰ নতুন চৰকাৰে ভাৰতৰ সৈতে শক্তিশালী সম্পৰ্ক স্থাপন কৰিব বুলি নেপালৰ ৰাষ্ট্ৰদূত শংকৰ প্ৰসাদ শৰ্মাই প্ৰকাশ কৰিছে। ৰাষ্ট্ৰদূতগৰাকীয়ে কয়, যে সুস্থিৰ গণতান্ত্ৰিক প্ৰক্ৰিয়াক প্ৰতিফলিত কৰি নেপালত সময়মতে আৰু শান্তিপূৰ্ণভাৱে নিৰ্বাচন অনুষ্ঠিত হৈ যায়। ভাৰত-নেপাল দ্বিপাক্ষিক সম্পৰ্কৰ সন্দৰ্ভত শ্ৰীশৰ্মাই কয়, যে দুয়োখন দেশৰ মাজত ইতিমধ্যে শক্তিশালী সম্পৰ্ক আছে আৰু নতুন চৰকাৰখনে এই সম্পৰ্কক সুদৃঢ় কৰাৰ চেষ্টা কৰিব।

০০০০০

অসমৰ প্ৰথমগৰাকী গ্ৰেণ্ড মাষ্টাৰ হিচাপে খিতাপ অৰ্জনেৰে হিচাপে মায়ংক চক্ৰৱৰ্তীয়ে ইতিহাস ৰচনা কৰিছে। ছুইডেনত অনুষ্ঠিত অষ্টম গ্ৰেণ্ড মাষ্টাৰ প্ৰতিযোগিতাত খিতাপ জয় কৰি মায়ংক দেশৰ ৯৪ সংখ্যক গ্ৰেণ্ড মাষ্টাৰ হিচাপে বিবেচিত হৈছে। প্ৰতিযোগিতাৰ ফাইনেল ৰাউণ্ডত শীৰ্ষ স্থানৰ খেলুৱৈক পৰাভূত কৰাৰ উপৰি মায়ংকে গ্ৰেণ্ড মাষ্টাৰ হ'বৰ বাবে প্ৰয়োজনীয় ২৫০০ ফিডে ৰেটিঙৰ সীমা অতিক্ৰম

কৰে। এই সাফল্যৰ জৰিয়তে মায়ংক চক্ৰৱৰ্তী অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমগৰাকী গ্ৰেণ্ড মাষ্টাৰ হিচাপে পৰিগণিত হৈছে।

০০০০০

যুৱ সংগমৰ ষষ্ঠ পৰ্যায়ৰ বাবে পঞ্জীয়ন আৰম্ভ হৈছে। **এক ভাৰত শ্ৰেষ্ঠ ভাৰত** কাৰ্যসূচীৰ অধীনত আয়োজন কৰা এই পদক্ষেপত অংশগ্ৰহণৰ বাবে শিক্ষা মন্ত্ৰালয়ে সমগ্ৰ দেশৰ যুৱচামক আমন্ত্ৰণ জনাইছে। অহা ১৮ মাৰ্চ পঞ্জীয়নৰ অন্তিম দিন। আগ্ৰহীসকলে ebsb.aicte-india.org ৱেবছাইটৰ জৰিয়তে পঞ্জীয়ন কৰিব পাৰিব। এই কাৰ্যসূচীয়ে যুৱ অংশগ্ৰহণকাৰী সকলক বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চল ভ্ৰমণৰ জৰিয়তে দেশৰ বৰ্ণাঢ্য সাংস্কৃতিক ঐতিহ্য, পৰম্পৰা আৰু উদ্ভাৱন পৰিস্থিতি তন্ত্ৰৰ অভিজ্ঞতা লাভ সুযোগ প্ৰদান কৰিব।

০০০০০

উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনা অনুসৰি ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ পুনৰীক্ষণৰ অধীনত পশ্চিমবংগত অহা সপ্তাহত প্ৰথমখন পৰিপূৰক ভোটাৰ তালিকা প্ৰকাশৰ সম্ভাৱনা আছে। নিৰ্বাচন আয়োগৰ সূত্ৰত প্ৰকাশ কৰা মতে ৬০ লাখৰো অধিক লোকৰ পুনৰীক্ষণ কৰা হৈছিল আৰু ইতিমধ্যে প্ৰায় ১৫ লাখ ভোটদাতাৰ তথ্য সমাধান কৰা হৈছে। পৰিপূৰক ভোটাৰ তালিকাত যিসকল লোকৰ নাম নাথাকে তেওঁলোকৰ গোচৰসমূহৰ উচ্চতম ন্যায়ালয়ৰ আদেশ অনুসৰী গঠন কৰা ট্ৰিবিউনেলৰ জৰিয়তে শুনানি গ্ৰহণ কৰা হ'ব। ইতিমধ্যে এনে ট্ৰিবিউনেল গঠনৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে আৰু অহা সপ্তাহৰ পৰা কাৰ্যকৰী হোৱাৰ সম্ভাৱনা আছে। ইপিনে প্ৰায় ৩৫ লাখ ভোটদাতাৰ তথ্য প্ৰমাণিকৰণ প্ৰক্ৰিয়া ক্ষিপ্ৰতাৰে চলি আছে আৰু তেওঁলোকৰ গোচৰসমূহো শীঘ্ৰেই নিষ্পত্তি কৰা হ'ব বুলি বিভাগীয় সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০

সৰ্বভাৰতীয় ফুটবল ফেডাৰেচন- এ আই এফ এফৰ প্ৰাক্তন সাধাৰণ সচিব কুশল দাসৰ কালি ৬৬ বছৰ বয়সত দেহাৱসান ঘটে। ২০১০ৰ পৰা ২০২২ চনলৈ ফেডাৰেচনৰ সাধাৰণ সচিবৰ দায়িত্বত থকা কুশল দাসৰ মৃত্যুত এ আই এফ এফে শোক প্ৰকাশ কৰিছে। পেচাত এগৰাকী চাৰ্টাৰ্ড একাউণ্টেণ্ট কুশল দাসে ভাৰতীয় ফুটবললৈ ক্ৰীড়া ব্যৱস্থাপনা আৰু প্ৰশাসনৰ জৰিয়তে বৰঙণি আগবঢ়াই থৈ গৈছে। তেওঁ ডুবাইৰ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদৰ মুখ্য বিত্তীয় বিষয়া হিচাপেও সেৱা আগবঢ়াইছিল।

০০০০০

সমাপ্ত